3) Maheshwari, S.R. (2003). *Indian Administration*. New Delhi:Orient Longman.

4) Sharma, Dr.M.P. , & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.



৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সত্য।

২ নং প্রশ্নৰ উত্তৰ ঃ

(ক) দৃষ্টিভংগী আৰু পৰামর্শৰ লগত ভিন্নতা থাকিলেও প্রশাসনিক বিষয়াসকলে মন্ত্রীসকলৰ সকলো আঁচনি আৰু সিদ্ধান্ত কার্যকৰী কৰিব লাগিব।

(খ) মন্ত্রীৰ উপৰিও অন্যান্য জ্যেষ্ঠসকলক পৰামর্শ প্রদানৰ ক্ষেত্রত প্রশাসনিক বিষয়াসকলৰ পূর্ণ স্বাধীনতা আছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ উন্নয়নকামী।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৯৬০ ৰ দশকত প্রাক্তন প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে অনুভৱ কৰিছিল যে নিৰপেক্ষতাৰ অজুহাতত প্রশাসনিক বিষয়াসকলে চৰকাৰৰ উন্নয়নমূলক আঁচনিৰ প্রতি অনিহা প্রকাশ কৰি আহিছে। ইন্দিৰা গান্ধী দেশৰ আর্থ-সামাজিক পৰিবর্তনৰ মন্থৰ গতিত অসন্তুষ্ট হৈ পৰিছিল আৰু ইয়াৰ বাবে প্রশাসনিক বিষয়াসকলৰ চৰকাৰৰ আঁচনিক বাধাদান কৰা কার্যই দায়ী বুলি কৈছিল। তেওঁ এই কথা ব্যক্ত কৰিছিল যে কেৱল দায়বদ্ধ প্রশাসনিক ব্যৱস্থাইহে পঞ্চবার্ষিক পৰিকল্পনাত অন্তর্গত সামাজিক দিশসমূহৰ লগতে প্রগতিশীল বিধায়িনী মণ্ডলৰ লক্ষ্যত উপনীত হ'ব পাৰে। সেয়েহে ইন্দিৰা গান্ধীয়ে প্রশাসনিক বিষয়াসকলে নিৰপেক্ষতাৰ নীতি ত্যাগ কৰি এটা দায়বদ্ধ প্রশাসনীয় সেৱাৰ প্রণয়ন কৰাটো বিচাৰিছিল। প্রশাসনিক বিষয়াসকল দেশৰ উদ্দেশ্য আৰু উন্নয়নৰ লক্ষ্যৰ প্রতি দায়বদ্ধ হ'ব লাগিব। প্রশাসনিক বিষয়াসকল প্রধানতঃ ৰাষ্ট্রৰ প্রয়োজনৰ প্রতি দায়িত্বশীল হৈ থকা উচিত। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা উচিত হ'ব যে ভাৰত আৰু অন্যান্য উন্নয়নশীল ৰাষ্ট্রত আঁচনি কার্যকৰীকৰণৰ ক্ষেত্রত প্রশাসনিক বিষয়াসকলে কেবল এটা পক্ষপাতহীন বিষয়াৰ দল হিচাপে কার্যনির্বাহ কৰিলেই নহ'ব। বর্তমান সময়ত দেশখনে আর্থ-সামাজিক বিকাশ তথা সামাজিক ব্যৱস্থাটোক নতুনকৈ নির্মাণ কৰাৰ ক্ষেত্রত প্রত্যাহ্বানৰ সন্মুখীন হৈছে। যিটো সময়ত জাতি ভাষা আৰু গোষ্ঠীগত সংঘর্ষই ৰাজনৈতিক ব্যৱস্থাত যথেষ্ট বাধা প্রদান কৰিছে, তেনে সময়ত প্রশাসনিক বিষয়াসকল নিৰপেক্ষ হৈ থকাৰ সলনি বিভিন্ন আঁচনি

যন্ত্ৰৱৎ কার্যকৰী কৰা বিষয়া ৰূপে পৰিগণিত হোৱাটো বিচৰা হয়।



৯.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন **১** ঃ ৰাজনীতিৰ সন্ত্রাসবাদীকৰণ সম্পর্কীয় ভোহৰা কমিটিৰ প্রতিবেদনত কাৰ কাৰ মাজত থকা সম্পর্কৰ কথা উল্লেখ কৰিছে?

প্রশ্ন **২** ঃ মেক্সৱেবাৰে প্রশাসনিক ব্যৱস্থাৰ সর্বপ্রথম আৰু আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্যটো নিৰপেক্ষতা বুলি কৈছে। (শুদ্ধ/অশুদ্ধ)

খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন **১** ঃ ভাৰতীয় প্রশাসনিক ব্যৱস্থাত প্রশাসনিক সেৱাৰ নিৰপেক্ষতা সম্পর্কে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন **২** ঃ দায়বদ্ধ প্রশাসনীয় ব্যৱস্থাৰ অর্থ ভাৰতৰ প্রেক্ষাপটত ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন **১** ঃ প্রশাসনিক সেৱাৰ নিৰপেক্ষতা বনাম দায়বদ্ধ প্রশাসনিক ব্যৱস্থা সম্পর্কীয় বিষয়টো ব্যাখ্যা কৰক।

*** ***** ***